কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১৫/২২-২৩
Ref :

তাৰিখ : ০৪-০৯-২০২২
Date :

### অসম জাতীয় বিদ্যালয়ত তৰ্ক আৰু বক্তৃতা বিষয়ক কৰ্মশালা

**নুনমাটি, গুৱাহাটী, ৪ ছেপ্তেম্বৰ ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃজনশীল মন আৰু যুক্তিনিষ্ঠ চিন্তাৰ লগতে প্ৰকাশভংগী আৰু কথনশৈলীৰ বিকাশৰ উদ্দেশ্যে আজি অসম জাতীয় বিদ্যালয়ত তৰ্ক আৰু বক্তৃতা বিষয়ক এখনি কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক তৰ্ক কৰাৰ কৌশল সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰে আমাৰ অসম কাকতৰ ডেপুটি এডিটৰ, বিশিষ্ট তাৰ্কিক গৌতম শৰ্মাই। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নশীল হোৱাৰ লগতে বাতৰি কাকত, অভিধান আৰু ব্যাকৰণ নিয়মীয়াকৈ পঢ়িবলৈ আহ্বান জনায়। আনহাতে, প্ৰশিক্ষক হিচাপে উপস্থিত থকা আন এগৰাকী সমল ব্যক্তি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, সুবক্তা ড° অৰূপজ্যোতি চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক বক্তৃতা প্ৰদানৰ কৌশলৰ বিষয়ে কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰি যথাৰ্থ চিন্তাৰ প্ৰকাশত গুৰুত্ব দিবলৈ আহ্বান জনায়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণেৰে শুভাৰম্ভ কৰা এই কৰ্মশালাত বিদ্যালয়ৰ ৫৭ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী প্ৰণীতা দেৱীয়ে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়